35

Total No. of Printed Pages—3

**3 SEM TDC EASM 1**

# 2013

( November )

## ELECTIVE ASSAMESE

Course : 301

( অসমীয়া গদ্য-সাহিত্য )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ লিখাঁ : ১×৮=৮

(ক) ভট্টদেৱৰ প্ৰকৃত নাম কি আছিল?

(খ) 'সাতসৰী অসম বুৰঞ্জী' কেইখন হাতে লিখা বুৰঞ্জীৰ সমষ্টি?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ শেষ উইল আৰু ইচ্ছাপত্ৰখনত কি নামেৰে স্বাক্ষৰ কৰিছে?

(ঘ) ইংৰাজী 'Science' শব্দটো কোন ভাষাৰ, কি শব্দৰ পৰা ওলাইছে?

(ঙ) লক্ষ্মীনন্দন বৰাৰ সৰস্বতী সন্মান পোৱা কিতাপখনৰ নাম লিখাঁ।

(চ) জ্যোতিপ্ৰসাদৰ মতে "....সেই ভাৰতৰ, সেই অসমৰ প্ৰধান খনিকৰ" কোন আছিল?

(ছ) ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ত কেইটা কাণ্ড পোৱা যায়?

(জ) "নামুনং লিখ্যতে কিঞ্চিৎ।" বাক্যশাৰীৰ অসমীয়া অৰ্থ লিখাঁ।

২। (ক) অসমীয়া গদ্য-সাহিত্যৰ বিকাশত ভট্টদেৱৰ বচনাৱাজিৰ ভূমিকা আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) " 'অৰুণোদই' কাকতে আধুনিক অসমীয়া গদ্য-সাহিত্যৰ বাট মুকলি কৰাত ইন্ধন যোগালে।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰি এটি আলচ যুগুত কৰাঁ।

৩। (ক) 'কথা ভাগৱত' গ্ৰন্থখনৰ অন্তৰ্গত 'সূক্ষ্ম ধাৰণা আৰু ভক্তিযোগ' অংশৰ কথাখিনি নিজৰ ভাষাৰে লিখাঁ। ১৪

*অথবা*

(খ) 'আহোমৰ দিনৰ বিষয়াসকলৰ নিৰন্ধ' শীৰ্ষক বুৰঞ্জীৰ পাঠাংশৰ আধাৰত বৰবৰুৱা, বৰফুকন, ৰাজখোৱা আৰু ফুকনৰ মৰ্যাদা সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

৪। (ক) বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱাৰ উইল'খনত লিখা স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি কেইপদক কেইটা দফাত অন্তৰ্ভুক্ত কৰিছে? উইলখনত বৰ্ণনা কৰা মতে তেওঁৰ সম্পত্তিসমূহৰ বিষয়ে এটি বিৱৰণসূচক টোকা যুগুত কৰাঁ। ২+১২=১৪





*অথবা*

(খ) 'ভাবীকালৰ সংস্কৃতি' শীৰ্ষক প্ৰবন্ধত জ্যোতিপ্ৰসাদ আগৰৱালাই দাঙি ধৰা সংস্কৃতি সম্পৰ্কীয় কথাখিনিৰ এটা আভাস দিয়াঁ। ১৪

৫। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৮×২=১৬

(ক) সভ্যতাৰ বিকাশত বিজ্ঞানৰ অৱদানৰ দুটা মুখ্য ধাৰাৰ বিষয়ে 'বিজ্ঞান আৰু সভ্যতা' পাঠৰ আধাৰত চমুকৈ লিখাঁ।

(খ) আধুনিকতাবাদ (Modernism), আধুনিকতা (Modernity) আৰু মানৱতাবাদ—এই তিনিটা সম্পৰ্কে হীৰেণ গোহাঁয়ে কি কৈছে, দহ শাৰীমান বাক্যৰ ভিতৰত লিখাঁ।

(গ) "বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰ ব্যৱহাৰ কৰি সৃষ্টিমূলক অথবা ধ্বংসমূলক কাৰ্যসূচী মানৱজাতিয়ে গ্ৰহণ কৰিব পাৰে।" কথাষাৰৰ সত্যতা উদাহৰণৰ জৰিয়তে বুজাই লিখাঁ।

৬। (ক) লক্ষ্মীনন্দন বৰাৰ 'দেৱতাৰ ব্যাধি' শীৰ্ষক গল্পটিত প্ৰকাশিত গ্ৰাম্য সমাজৰ ছবিখন দাঙি ধৰাঁ। ১৪

*অথবা*

(খ) চৈয়দ আব্দুল মালিকৰ 'ঢাকনি' গল্পৰ নায়কৰ চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

★★★